# 2022

## PHILOSOPHY

Paper : PHI-RE-6016/6026

( Regular Elective )

Paper : PHI-RE-6016

**( Philosophy of Religion )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed (any *ten*) : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া (যি কোনো দহটা) :

(a) "The literal meaning of religion is that which binds man together." Is it true?

"ব্যুৎপত্তিগতভাৱে ধৰ্মৰ অৰ্থ হৈছে যিয়ে মানুহক একেলগে বান্ধি বা ধৰি ৰাখে।" এইটো সত্যনে ?

*(b)* "Religion is morality touched with emotion." Who said this?

"ধৰ্ম হ'ল নৈতিকতাৰ লগত যুক্ত এক আৱেগ।" কোনে কৈছিল?

*(c)* Are faith and belief same?

আস্থা আৰু বিশ্বাস একেনে?

*(d)* Was Spinoza a pantheist?

স্পিনোজা সৰ্বেশ্বৰবাদী আছিলনেকি?

*(e)* Who is the father of Deism?

অতিবৰ্তী ঈশ্বৰবাদৰ জনক কোন?

*(f)* Who wrote, *Confessions*?

*Confessions* গ্ৰন্থখন কোনে লিখিছিল?

*(g)* "The existence of God derives from the concept of God." Which proof for the existence of God advocates this view?

"ঈশ্বৰৰ অস্তিত্ব ঈশ্বৰৰ ধাৰণাৰ পৰাই নিৰ্গত হয়।" ঈশ্বৰ অস্তিত্বৰ কোনটো প্ৰমাণে এই মতবাদৰ পোষকতা কৰে?

*(h)* Who claimed that there is an ego that exists, knows and wills?

কোনে কৈছিল যে এক অহং (ego) আছে যি অস্তিত্বশীল, জ্ঞাতা আৰু ইচ্ছাকৰ্তা?

*(i)* Who is the author of the book, *A Study of Religion*?

*A Study of Religion* গ্ৰন্থৰ লিখক কোন?

(j) "The religious attitude is frankly personal or valuational; but the scientific attitude is impersonal." Is it true?

"ধৰ্মীয় মনোবৃত্তি স্পষ্টভাৱে ব্যক্তিগত বা মূল্যাংকনাত্মক, কিন্তু বৈজ্ঞানিক মনোবৃত্তি নৈৰ্ব্যক্তিক।" কথাষাৰ সঁচানে?

(k) Which argument for the existence of God is also known as Design argument?

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক কোনটো যুক্তিক পৰিকল্পনামূলক যুক্তি বুলিও জনা যায়?

(l) "Descartes was a supporter of ontological proof for the existence of God." Is it true?

"ডেকাৰ্ট ঈশ্বৰৰ অস্তিত্ব প্ৰমাণৰ সত্তামূলক যুক্তিৰ সমৰ্থক আছিল।" কথাষাৰ সঁচানে?

(m) Descartes / Spinoza / Aquinas was a medieval catholic theologician.

( Choose the correct option )

ডেকাৰ্ট / স্পিনোজা / একুইনাছ এজন মধ্যযুগীয় কেথলিক ধৰ্মতত্ত্ববিদ আছিল।

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

*(n)* Kant supported / criticized the moral argument for the existence of God.

( Choose the correct option )

কান্টে ঈশ্বৰৰ অস্তিত্ব প্ৰমাণৰ নৈতিক যুক্তিক সমৰ্থন / সমালোচনা কৰিছিল।

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

*(o)* What is theology a study of?

ঈশ্বৰ তত্ত্বই কি অধ্যয়ন কৰে?

**2.** Give brief answer (any *five*) : 2×5=10

চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) :

*(a)* Give a definition of religion.

ধৰ্মৰ এটা সংজ্ঞা দিয়া।

*(b)* Write two distinctions between religion and science.

ধৰ্ম আৰু বিজ্ঞানৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

*(c)* Match Group A with Group B :

গ্ৰুপ A আৰু গ্ৰুপ B ক মিলাই লিখা :

| *Group—A* | *Group—B* |
|---|---|
| *(i)* *Proslogion* | 1. Paul Tillich |
| *(ii)* Primitive culture | 2. Aquinas |
| *(iii)* Systematic theology | 3. St. Anselm |
| *(iv)* *Summa Theologica* | 4. E. B. Tylor |

(d) Write the name of two critics of the teleological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় উদ্দেশ্যমূলক যুক্তিৰ দুজন সমালোচকৰ নাম লিখা।

(e) Define panentheism.

সৰ্বধৰেশ্বৰবাদৰ সংজ্ঞা লিখা।

(f) Give examples of two monotheistic religions.

একেশ্বৰবাদী দুটা ধৰ্মৰ উদাহৰণ দিয়া।

(g) Name two proofs for the existence of God formulated by Plato.

প্লেটোৱে প্ৰণয়ন কৰা ঈশ্বৰৰ অস্তিত্বৰ দুটা প্ৰমাণৰ নাম উল্লেখ কৰা।

(h) Match Group A with Group B :

গ্ৰুপ A আৰু গ্ৰুপ Bক মিলাই লিখা :

| Group—A | Group—B |
|---|---|
| (i) Theism (ঈশ্বৰবাদ) | 1. Hegel |
| (ii) Pantheism (সৰ্বেশ্বৰবাদ) | 2. Martineau |
| (iii) Deism (অতিবৰ্তী ঈশ্বৰবাদ) | 3. Spinoza |
| (iv) Panentheism (সৰ্বধৰেশ্বৰবাদ) | 4. Edward Herbert |

( Turn Over )

3. Answer any *four* questions of the following : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Define philosophy of religion mentioning the relationship between philosophy and religion.

দৰ্শন আৰু ধৰ্মৰ সম্পৰ্ক উল্লেখ কৰি ধৰ্মদৰ্শনৰ সংজ্ঞা আগবঢ়োৱা।

(b) Distinguish between faith and reason.

আস্থা আৰু যুক্তিৰ পাৰ্থক্য নিৰূপণ কৰা।

(c) Is religious experience an illusion? Discuss briefly.

ধৰ্মীয় অভিজ্ঞতা একধৰণৰ ভ্ৰমনেকি? চমুকৈ আলোচনা কৰা।

(d) What is 'religion'? Are 'religion' and 'dharma' same?

'Religion' মানে কি? 'Religion' আৰু 'dharma' একেনে?

(e) Explain William Paley's analogy of the watch.

উইলিয়াম পেলেৰ ঘড়ীৰ উপমাটো ব্যাখ্যা কৰা।

(f) Write a brief note on the concept of the first cause of the cosmological argument.

বিশ্বতত্ত্ব-বিষয়ক যুক্তিৰ প্ৰথম কাৰণ ধাৰণাটোৰ বিষয়ে সংক্ষেপে টোকা লিখা।

(g) What is monotheism? How does it contrast with polytheism?

একেশ্বৰবাদ কি? ই কিদৰে বহু ঈশ্বৰবাদ ধাৰণাৰ বিৰোধিতা কৰে?

(h) What is immortality of the soul? Explain.

আত্মাৰ অমৰত্ব কি? ব্যাখ্যা কৰা।

4. Answer any *four* questions of the following : 10×4=40

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) What is philosophy of religion? Explain the nature and scope of philosophy of religion.

ধৰ্মদৰ্শন কি? ধৰ্মদৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ ব্যাখ্যা কৰা।

(b) Write the basic features of religious experience.

ধৰ্মীয় অভিজ্ঞতাৰ মৌলিক বৈশিষ্ট্যসমূহ লিখা।

(c) What is revelation? Distinguish between propositional and non-propositional types of revelation.

দৈৱিকতা কি? বচনাত্মক আৰু অবচনাত্মক প্ৰকাৰৰ দৈৱিকতাৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(d) Discuss the relation between God and the world with reference to pantheism.

সৰ্বেশ্বৰবাদৰ প্ৰসংগ উল্লেখ কৰি ঈশ্বৰ আৰু জগতৰ সম্বন্ধ আলোচনা কৰা।

( Turn Over )

(e) Write an essay on freedom of will.

ইচ্ছাৰ স্বাধীনতা-বিষয়ক এখন ৰচনা লিখা।

(f) Explain and examine the moral argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক নৈতিক যুক্তিটো ব্যাখ্যা আৰু বিচাৰ কৰা।

(g) Critically discuss St. Anselm's ontological argument for the existence of God.

St. Anselmৰ ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় সত্তামূলক যুক্তিৰ সমালোচনাত্মক আলোচনা কৰা।

(h) Explain the nature of the elements of religious consciousness.

ধৰ্মীয় চেতনাৰ উপাদানসমূহৰ স্বৰূপ ব্যাখ্যা কৰা।

(i) Explain the cosmological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ সম্পৰ্কীয় বিশ্বতত্ত্ব-বিষয়ক যুক্তিটো ব্যাখ্যা কৰা।

(j) Distinguish between faith and revelation. Do you believe in revelation?

আস্থা আৰু দৈৱিকতাৰ পাৰ্থক্য নিৰ্ণয় কৰা। তুমি দৈৱিকতাত বিশ্বাস কৰানে?

Paper : PHI–RE–6026

**( Political and Social Philosophy )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions (any *ten*) : 1×10=10

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো দহটা) :

*(a)* What is the etymological meaning of the word 'justice'?

'Justice' শব্দটোৰ ব্যুৎপত্তিগত বা আক্ষৰিক অৰ্থ কি?

*(b)* On which date 'Human Rights Day' is observed?

'মানৱ অধিকাৰ দিৱস' কোন তাৰিখে পালন কৰা হয়?

*(c)* "Equality means first of all the absence of special privileges." Who said this?

"সমতা মানে হ'ল বিশেষ সুযোগ-সুবিধাৰ অনুপস্থিতি।" কথাষাৰ কোনে কৈছিল?

(d) Who wrote the book, *Republic*?

*Republic* নামৰ গ্ৰন্থখন কোনে ৰচনা কৰিছিল ?

(e) "Theocracy is the oldest form of government." Is it true?

"ধৰ্মতন্ত্ৰ হ'ল চৰকাৰৰ প্ৰাচীন ৰূপ।" এইটো সত্যনে ?

(f) According to Plato, "Justice is a virtue". Is it true?

প্লেটোৰ মতে "ন্যায় হ'ল এটা সৎগুণ"। এইটো সত্যনে ?

(g) Marxian dialectical materialism is influenced by an idealistic philosopher. Write the name of this philosopher.

মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদ এগৰাকী ভাৱবাদী দাৰ্শনিকৰ দ্বাৰা প্ৰভাৱিত। সেই দাৰ্শনিকগৰাকীৰ নাম লিখা।

(h) Is Gandhi an anarchist?

গান্ধী এজন নৈৰাজ্যবাদী হয়নে ?

(i) How many classes are there in Marxian philosophy?

মাৰ্ক্সীয় দৰ্শনত শ্ৰেণী কেইটা ?

(j) The State is an 'unnecessary evil'. Which theory is associated with this view?

ৰাষ্ট্ৰ হ'ল 'অনাৱশ্যক অমংগল'। এই মতটোৰ লগত জড়িত তত্ত্বটোৰ নাম কি ?

*(k)* Who is the propounder of 'radical humanism'?
'মৌলিক মানৱতাবাদ'ৰ প্ৰৱৰ্তক কোন?

*(l)* Who used the word 'secularism' for the first time?
'Secularism' শব্দটো কোনে পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল?

*(m)* There is an organic relation between rights and duties. Is it true?
অধিকাৰ আৰু কৰ্তব্যৰ মাজত আঙ্গিক সম্বন্ধ আছে। এইটো সত্যনে?

*(n)* Mention one merit of socialism.
সমাজবাদৰ এটা গুণ উল্লেখ কৰা।

*(o)* What is the meaning of the word 'demos'?
'Demos' শব্দৰ অৰ্থ কি?

**2.** Answer briefly (any *five*) : 2×5=10
চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) :

*(a)* What are the two types of justice, according to Aristotle?
এৰিষ্ট'টলৰ মতে ন্যায়পৰায়ণতাৰ ভাগ দুটা কি কি?

*(b)* State any two characteristics of Marxism.
মাৰ্ক্সবাদৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(c) What are the two aspects of equality according to Laski?

লাস্কিৰ মতে সমতাৰ দিশ দুটা কি কি?

(d) State Abraham Lincoln's definition of democracy.

আব্ৰাহাম লিংকনৰ 'গণতন্ত্ৰ'ৰ সংজ্ঞাটো উল্লেখ কৰা।

(e) What is 'monarchy'?

'ৰাজতন্ত্ৰ' কাক বোলে?

(f) What is multiculturalism?

বহুসংস্কৃতিবাদ কাক বোলে?

(g) Write the name of the supporters of natural liberty.

প্ৰাকৃতিক স্বাধীনতাৰ সমৰ্থকসকলৰ নাম লিখা।

(h) State any two economic rights.

যি কোনো দুটা অৰ্থনৈতিক অধিকাৰ উল্লেখ কৰা।

3. Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Write a short note on Plato's concept of justice.

প্লেটোৰ ন্যায়ৰ ধাৰণাৰ বিষয়ে এটি চমু টোকা লিখা।

(b) Distinguish between anarchism and terrorism.
নৈৰাজ্যবাদ আৰু সন্ত্ৰাসবাদৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(c) Explain the relation between rights and duties.
অধিকাৰ আৰু কৰ্তব্যৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰা।

(d) Write a short note on theocracy.
ধৰ্মতন্ত্ৰৰ বিষয়ে এটি চমু টোকা লিখা।

(e) Distinguish between direct and indirect democracy.
প্ৰত্যক্ষ আৰু পৰোক্ষ গণতন্ত্ৰৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(f) Write a short note on the nature of secular State.
ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ স্বৰূপ সম্পৰ্কে এটি চমু টোকা লিখা।

(g) State briefly the general characteristics of humanism.
মানৱতাবাদৰ সাধাৰণ বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰা।

(h) Explain briefly different types of duties.
কৰ্তব্যৰ বিভিন্ন প্ৰকাৰসমূহ চমুকৈ ব্যাখ্যা কৰা।

4. Answer the following questions (any *four*) : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) What do you mean by right? Explain different types of right.

অধিকাৰ বুলিলে কি বুজা? অধিকাৰৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰা।

(b) Discuss the characteristics of democracy.

গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(c) What is humanism? Explain various forms of humanism.

মানৱতাবাদ কাক বোলে? মানৱতাবাদৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰা।

(d) Explain and examine Marxian theory of class-struggle.

মাৰ্ক্সীয় শ্ৰেণী-সংগ্ৰাম তত্ত্বটোৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(e) What is anarchism? Explain the characteristics of anarchism.

নৈৰাজ্যবাদ বা অৰাজকতাবাদ কাক বোলে? নৈৰাজ্যবাদ বা অৰাজকতাবাদৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(f) Explain and examine socialism as a political ideology.

ৰাজনৈতিক আদৰ্শ হিচাপে সমাজবাদৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(g)* What are various types of equality? Explain.

সমতাৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? ব্যাখ্যা কৰা।

*(h)* Explain the safeguards of liberty.

স্বাধীনতা ৰক্ষা কৰাৰ উপায়সমূহ ব্যাখ্যা কৰা।

*(i)* Explain and examine monarchy as a form of government.

চৰকাৰৰ এটা প্ৰকাৰ হিচাপে ৰাজতন্ত্ৰৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(j)* What is justice? Explain different conceptions regarding justice.

ন্যায় বুলিলে কি বুজা? ন্যায় সম্পৰ্কে বিভিন্ন ধাৰণাসমূহ ব্যাখ্যা কৰা।

★★★